অসম ৰাজ্যিক জৈৱ-বৈচিত্ৰ্য পৰিষদ
ASSAM STATE BIO-DIVERSITY BOARD

প্ৰকৃতি শিক্ষণ কেন্দ্ৰ
nlc ASSAM
NATURE LEARNING CENTRE

# গছ-বনৰ অৱদান






Author :
**Dhrubajyoti Kalita**

Edited By.
**Team NMHS Him-NLC, Assam**
**Munmiara Begum**

Published by:
**"Him-Nature Learning Centre, Assam"**
Under the National Mission on Himalayan Studies

2017-18 to 2020-21

Supported by:
Ministry of Environment, Forest and Climate Change
Government of India

Implemented by:
Assam State Biodiversity Board
Assam Forest Department, Government of Assam
Assam Climate Change Management Society

1st Edition : January, 2021
© Assam State Biodiversity Board

Printed By :
F.M. Printers
H.No. 35, 1st Floor, Near Canara Bank
Panjabari Road, Sixmile, Guwahati-22



বায়ুমণ্ডলত উৰি ফুৰা ধোঁৱা আৰু ধূলিবোৰ গছৰ পাতত লাগি ধৰা বাবে বায়ু পৰিষ্কাৰ হয়।



প্ৰাণীয়ে উশাহত লোৱা অম্লজান গেছ উদ্ভিদে উৎপন্ন কৰে।



গছে চৰাই-চিৰিকটি আৰু বিভিন্ন পোক-পতংগক আশ্ৰয় দিয়ে।



গছৰ পাত, ফল-মূল বিভিন্ন পশু-পক্ষী আৰু পোক-পতংগৰ খাদ্য।



গছৰ সতেজ ফলে দেহৰ বাবে অপৰিহাৰ্য পৰিপুষ্টিৰ যোগান ধৰে।



প্ৰায়বোৰ উদ্ভিদৰ ফল, পাত, শিপা, ছালৰ ঔষধি গুণ আছে।



বিভিন্ন সা-সঁজুলি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় বাঁহ-বেত, কাঠ, খেৰ আদি অৰণ্যৰ পৰাই পাও।



বহু মানুহে জুই জ্বলোৱাৰ বাবে অৰণ্যৰ পৰাই খৰি সংগ্ৰহ কৰে।



গছৰ পাতে নিয়মীয়াকৈ এৰি দিয়া জলীয় বাষ্পই বায়ু মণ্ডল শীতল হৈ থকাত সহায় কৰে।



গছ-গছনি বেছিকৈ থকা এলেকাবোৰত বৰষুণ নিয়মীয়াকৈ হয়।



গছৰ পাতে প্ৰখৰ ৰ'দক বাধা দিয়াৰ বাবে গছতলৰ মাটি ঠাণ্ডা হৈ থাকে।



বাঁহ জাতীয় উদ্ভিদে ধুমুহাৰ গতিবেগক বাধা দিয়া বাবে ঘৰ-দুৱাৰ, বাগিচাৰ বেছিকৈ অনিষ্ট কৰিব নোৱাৰে।



উদ্ভিদৰ আঁহৰ পৰা তৈয়াৰী সাজ-পোছাকৰ চাহিদা দিনে-দিনে বৃদ্ধি পাবলৈ ধৰিছে।



ডাঠ ঘাঁহনি আৰু ঘনকৈ থকা গছৰ শিপাই সাৰুৱা মাটিৰ তৰপটোক
পানীৰ সোঁতত উটি যোৱাত বাধা দিয়ে।



ঘন অৰণ্যই নদীৰ পৰা খহনীয়া আৰু পাহাৰৰ ভূমিস্খলনত বাধা দিয়ে।



ঘন অৰণ্য থকা পৰ্বত-পাহাৰবোৰতহে জলপ্ৰপাত আৰু জুৰিবোৰেৰে নিয়মীয়া পানী বৈ থাকে।



প্ৰচুৰ পৰিমাণে গছ-গছনি থকা ঠাইবোৰৰ খাল-বিলত বাৰমাহে পানী থকাৰ লগতে ভূ-পৃষ্ঠৰ ওচৰতে পানী থাকে।



উদ্ভিদৰ বাগিছাই শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীক উদ্ভিদ বিষয়ক জ্ঞান প্ৰত্যক্ষভাৱে আহৰণত সহায় কৰে।



শিক্ষানুষ্ঠানৰ ওচৰত গছ-গছনি বেচিকৈ থাকিলে চৰাই-চিৰিকটি, পতংগ আদি ওচৰৰ পৰা নিৰীক্ষণ কৰাৰ সুবিধা হয়।



অৰণ্যৰ সেউজীয়া ৰঙে আমাৰ চকুৰ দৃষ্টি শক্তি ভালে থকাত সহায় কৰে।



কিছুমান উদ্ভিদে বেমাৰৰ বিজাণু বিস্তাৰত বাধা দিয়াৰ লগতে সুগন্ধিও বতাহত বিয়পায়।




প্ৰকৃতিৰ মোহনীয়া ৰূপে শিল্পী-সাহিত্যিকক গীত-কবিতা সৃষ্টিৰ বাবে সদায় প্ৰেৰণা যোগায়।



ৰং-বিৰঙৰ ফুল আৰু বনৰীয়া চৰাইৰ সুৰীয়া মাতে, মানুহৰ মনত আনন্দৰ অনুভূতি যোগাই তোলে।



বিভিন্ন প্ৰজাতিৰ গছ, লতা আৰু ঘাঁহৰ এবিধে আনবিধৰ ওপৰত নিৰ্ভৰ কৰিহে বৰ্তি থাকে।



প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ এলেকাবোৰলৈ দূৰ-দূৰণিৰ লোক বনভোজ খাবলৈ আহে।



গছৰ সৰা পাত, ফল, ফুলৰ পাহি আদি পচি মাটিৰ স'তে মিলি সাৰৰ কাম কৰে।



পৃথিৱীৰ সকলো দেশতেই বাঁহ, কাঠ আদিৰে প্ৰস্তুত কৰা বাদ্য-যন্ত্ৰৰ প্ৰচলন আছে।



ফল-মূল আৰু ফুল ভিত্তিক খাদ্য সামগ্ৰীৰ ব্যৱসায় বিশ্বজুৰি আছে, বনৌষধিৰ বজাৰৰ পৰিসৰো বিশ্বজোৰা।



বাৰিষা ঘাঁহনি পথাৰবোৰ পানীত বুৰ গৈ থকাৰ সময়ত তৃণভোজী ঘৰচীয়া প্ৰাণীবোৰে গছপাত খাইয়েই বাচি থাকে।



আমাৰ জীৱন দায়িনী দৰৱবোৰৰ বেচিভাগ উপাদানেই উদ্ভিদৰ পৰা প্ৰস্তুত কৰা হয়।



মাটিত পৰি পচিবলৈ ধৰা গছক আশ্ৰয় কৰি অগনন সৰু-বৰ জীৱ জীয়াই থাকে।



খেতি পথাৰ বা ঘৰৰ চৌহদত বেৰ দিয়াৰ বাবে গ্ৰামাঞ্চলৰ বহুলোকে নিজ অঞ্চলত সহজতে পোৱা গছ-বনকেই ব্যৱহাৰ কৰে।



সেউজীয়া ঘাঁহ - বনেৰে ভৰা চৰণীয়া পথাৰবোৰ পশুধনৰ বাবে ৰম্যভূমি।



উদ্ভিদে প্ৰাণীৰ বাবে ক্ষতিকৰ এঙাৰ গেছ্ বায়ুৰ পৰা গ্ৰহণ কৰে।



শিল বৰষুণৰ সময়ত  জীৱ-জন্তুৱে ডাঙৰ গছৰ তলত আশ্ৰয় লৈ জীৱন ৰক্ষা কৰিব পাৰে।



গছ্-বনবোৰ বস্ত্ৰ উদ্যোগত ব্যৱহাৰ কৰা প্ৰাকৃতিক ৰঙৰ প্ৰধান উৎস।

**প্ৰকৃতি শিক্ষণ কেন্দ্ৰ, অসম**
অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ
অৰণ্য ভৱন, তৃতীয় মহলা, পাঞ্জাবাৰী, গুৱাহাটী-৭৮১০৩৭
Email : asbb.nlc@gmail.com